# থাৰ্ড ফ্ৰণ্ট আকৌ আহিল নেকি ?

দিনাংক- ৩ ফেব্ৰুৱাৰী ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

থাৰ্ড ফ্ৰণ্ট আকৌ আহিল নেকি ? থাৰ্ড ফ্ৰণ্টৰ কথা কোনে আঙুলিয়াই দিছে ? ইয়াৰ প্ৰভাৱ কেনে হ'ব ? থাৰ্ড ফ্ৰণ্টৰ কৌশলৰ আতঁ ধৰাৰ দ'ল হৈছে সমাজবাদী পাৰ্টি আৰু জনতা দ'ল ইউনাইটেড । দুয়ো নিজৰ অস্তিত্বৰ সংকটত ভূগিছে । বি জে পি ৰ সৈতে বহুত বছৰ ধৰি সহযোগ কৰা জনতা দ'ল ইউনাইটেডে দ'লৰ পৰা বিচিন্ন হৈছে আৰু সম্ভাৱনা আছে যে আগন্তুক লোকসভা নিৰ্বাচনত বেয়াকৈ বিফল হ'ব । এই দ'ল কেৱল বিহাৰতে সীমাবদ্ধ । ইয়াৰ নেতৃত্বই জুখি-মাখি কাৰ্য্য কৰিছিল যাতে বিপদত নপৰক আৰু আশা কৰিছিল যে লালু প্ৰসাদ য়াদৱ কাৰাগাৰত থাকিব আৰু সংখ্যালঘূ ভোট তেওঁলোকৰ পিনে গতি কৰিব । আৰ জে ডি ৰ নেতাই জামিন লাভ কৰা কথাই জনতা দ'ল ইউনাইটেডৰ আশাত চেচাঁ পানী ঢালিলে । উত্তৰ প্ৰদেশৰ সমাজবাদী পাৰ্টিয়ে ইউ পি এ ১ আৰু ইউ পি এ ২ ক ক্ষমতাত ৰখাৰ বাবে দায়ী । সকলো বিপদজনক সময়তে সমাজবাদী পাৰ্টিয়ে ইউ পি এ ক সহযোগিতা আগবঢ়াইছিল । ইয়াৰ বিপৰীতে ইউ পি এ য়েও তেওঁলোকৰ জেষ্ঠ নেতা আৰু পৰিয়ালৰ সদস্যৰ বিৰুদ্ধে থকা দুৰ্ণীতিৰ গুচৰক চি বি আই ৰ দ্বাৰা দুৰ্বল কৰি সহযোগিতা আগবঢ়াইছিল । বে-কংগ্ৰেছী ৰাজনৈতিক ব্যক্তিত্বৰ বিশ্বাসযোগ্যতাৰ স্বৰূপ দাঙি ধৰাতো সমাজবাদী পাৰ্টিৰ বাবে বহুত কঠিন হৈ পৰিছে । তেওঁলোকৰ ৰাজনৈতিক কৌশল সদায় ২ টা ভোট বেংকৰ আধাৰত হয়, য়াদৱ আৰু মুছলিম । য়াদৱৰ আংশিক ভাগে নৰেন্দ্ৰ মোডীক ভোট দিব আৰু মুজ্জাফৰ নগৰত হোৱা হিংসাৰ পাছত মুছলিমৰ তেওঁলোকৰ ওপৰত মোহ ভংগ হৈ পৰিছে । জনতা দ'ল ইউনাইটেড আৰু সমাজবাদী পাৰ্টি দুয়োয়ে নিজৰ প্ৰভাৱিত অঞ্চলত বিশ্বাস হেৰুৱাইছে । পৰাস্ত হোৱা লোকসকল বিজয়ী হ'ব নোৱাৰে কাৰণ তেওঁলোকে পৰাস্ত লোকৰ ফ্ৰণ্ট গঠন কৰাৰ চেষ্টা কৰিছে ।

থাৰ্ড ফ্ৰণ্টৰ প্ৰয়োজনীয় বিশেষত্ব হ'ব কংগ্ৰেছ আৰু বি জে পি ৰ পৰা সমদূৰৱৰ্ত্তী বজাই ৰখা । জনতা দ'ল ইউনাইটেড আৰু সমাজবাদী পাৰ্টিয়ে এইয়া কেনেকৈ দাবী কৰিব ? কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰাৰ পাছত জনতা দ'ল ইউনাইটেড, আৰ জি ডি ৰ পৰা আতঁৰি আহিব লগা হৈছিল । সমাজবাদী পাৰ্টিয়ে ইউ পি এ চৰকাৰক ১০ বছৰলৈ শাসনত ৰাখিছিল ।

ইয়াৰ পাছত কিছুমান ৰাজ্যত আঞ্চলিক দ'লো আছে । এই আঞ্চলিক দ'লৰ নিজস্ব শক্তি আছে । নিজৰ ৰাজ্যত তেওঁলোক ভালেসংখ্যক লোকসভাৰ আসন দখল কৰিব পাৰে । এই আঞ্চলিক দ'লৰ কংগ্ৰেছ নথকা ঠাইত নিজৰ প্ৰভাৱ আছে । পূৰ্বতে তেওঁলোক এন ডি এ ৰ নামেৰে চিহ্নিত হৈছিল । তেওঁলোকৰ ৰাজনীতি কংগ্ৰেছৰ দিশত নহয় । ই তেওঁলোকৰ ৰাজনীতিৰ পৰিচয় নোহোৱা কৰি পেলাব । যি কি নহওঁক কংগ্ৰেছ দ'লে বিশ্বাসযোগ্য সন্মিলিত ৰাজনীতিত মুখ্য স্থান দখল কৰিব যেন দেখা যোৱা নাই । খুব বেছি তেওঁলোক সহযোগী হিচাপেহে থাকিব পাৰিব ।

থাৰ্ড ফ্ৰণ্টক লৈ বহুতো দ'লৰ মাজত প্ৰতিবাদ আছে । তৃণমূল কংগ্ৰেছ বনাম লেফ্ট, সমাজবাদী পাৰ্টি বনাম বহুজন সমাজ পাৰ্টি, এ আই ডি এম কে বনাম ডি এম কে আৰু জনতা দ'ল ইউনাইটেড বনাম আৰ জে ডি, তেওঁলোকে ৰাজনীতিক প্ৰচলিত মতৰ বিৰুদ্ধে মত পোষণ কৰিছে যি থাৰ্ড ফ্ৰণ্টে কেতিয়াও সমাধান কৰিব নোৱাৰে । থাৰ্ড ফ্ৰণ্টৰ নিজৰ কোনো সন্মিলিত হোৱাৰ আদৰ্শ নাই । বৃহৎ ৰাজনৈতিক দ'লৰ উপস্থিতি থকা স্বত্বেও ইয়াৰ কোনো গুৰি নাই যি দ'লক স্থিৰতা দিব পাৰিব ।

কংগ্ৰেছ জড়িত ইউ পি এ ৰ মোহ ভংগ হোৱা স্পষ্ট পৰিলক্ষিত হৈছে । বৰ্ত্তমান অৱস্থাৰ পৰা অৰ্থনীতিৰ উদ্ধাৰৰ বাবে আপোনাক সিদ্ধান্ত গ্ৰহণ কৰিব পৰা লোক, ৰাজনৈতিক স্থিৰতা আৰু সংগতিৰ প্ৰয়োজন । থাৰ্ড ফ্ৰণ্টক এই সকলোৰে বিৰুদ্ধে প্ৰস্তুত কৰা হৈছে । থাৰ্ড ফ্ৰণ্টৰ বিষয়ে আমি যিমান শুনিম, নৰেন্দ্ৰ মোডী জড়িত এন ডি এ চৰকাৰ নিৰ্বাচিত হোৱাৰ আশা সিমানেই সবল হ'ব, যিহেতু তেওঁলোকৰ নিজৰ সামৰ্থৰ বলত চৰকাৰ গঠন কৰাৰ ক্ষমতা আছে ।